প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

**কৰ’ণা প্ৰতিৰোধী অভিযান**

## গ্ৰাম্য দুখীয়া জনসাধাৰণক সকাহ দিয়াৰ বাবে গ্ৰামোন্নয়ন বিভাগৰ পদক্ষেপ

## ভিডিঅ’ কনফাৰেন্সিঙৰ মাধ্যমেৰে ১১খন ৰাজ্যৰ লগত বাৰ্তালাপ কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰীৰ

## মন্ত্ৰী নৱ কুমাৰ দলেৰ পৰা বুজ ল’লে অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ কাম-কাজৰ

**গুৱাহাটী ১৮** এপ্ৰিলঃ কৰ’ণা ভাইৰাচৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে দেশ জুৰি চলি থকা লক ডাউনৰ সময়ছোৱাত গ্ৰাম্য দুখীয়া জনসাধাৰণক সকাহ দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ ব্যৱস্থা হাতত লৈছে। এই সম্পৰ্কে অৱগত কৰাৰ লগতে বিভিন্ন ৰাজ্যত গ্ৰামোন্নয়ন বিভাগে লোৱা বিভিন্ন পদক্ষেপৰ বুজ ল’বৰ বাবে আজি কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰে ভিডিঅ’ কনফাৰেন্সিঙৰ জৰিয়তে ১১খন ৰাজ্যৰ বিভাগীয় মন্ত্ৰীসকলৰ লগত বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত তেওঁ কয় যে গ্ৰামোন্নয়ন বিভাগৰ অধীনত চলি থকা আঁচনিৰ বাবে পুঁজি লাভ কৰাৰ ক্ষেত্ৰত কোনো অসুবিধা নহয়। গতিকে ৰাজ্যসমূহৰ সুৰক্ষিত বুলি চিহ্নিত অঞ্চলসমূহত এম জি এন ৰে গা, প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ আদি বিভিন্ন আঁচনিৰ অধীনত অহা ২০তাৰিখৰ পিছত কাম আৰম্ভ কৰিবৰ বাবে তেওঁ আহ্বান জনায়। এই কাৰ্য সম্পাদন কৰোতে সামাজিক দূৰত্ব বজাই ৰাখি সকলোৱে মাস্ক পৰিধান কৰি কাম কৰাৰ লগতে কৰ্মস্থলীত চেনিটাইজাৰ আৰু চাবোনৰ ব্যৱস্থা নিশ্চিত কৰিবলৈও তেওঁ পৰামৰ্শ আগবঢ়ায়।

প্ৰতিখন ৰাজ্যত আত্মসহায়ক গোটসমূহে মিছন মোডত মাস্ক আৰু চেনিটাইজাৰ প্ৰস্তুত কৰি দেশৰ এই বিপৰ্যয়ৰ সময়ত যি অমূল্য সেৱা আগবঢ়াইছে তাৰ বাবে মন্ত্ৰীগৰাকীয়ে সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে আৰু তেওঁলোকৰ জীৱিকা অৰ্জনত সহায়ক হোৱাকৈ বৰ্তমানৰ অতি প্ৰয়োজনীয় চাবোন উৎপাদনতো মনোনিবেশ কৰিবৰ বাবে আত্মসহায়ক গোটসমূহক উৎসাহিত কৰিবলৈ আহ্বান জনায়।

আনহাতে এম জি এন ৰেগাৰ বাবে মন্ত্ৰীগৰাকীয়ে পানী সংৰক্ষণ আৰু জলসিঞ্চন প্ৰকল্প গ্ৰহণত বিশেষ গুৰুত্ব দিবলৈ পৰামৰ্শ আগবঢ়াই এই ক্ষেত্ৰত সঠিক স্থান নিৰ্দ্ধাৰণেৰে আঁচনিৰ সফল ৰূপায়ণৰ বাবে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা জলসিঞ্চন বিষয়া আৰু ভূ-জল বোৰ্ডৰ বিষয়াৰ সৈতে ভিডিঅ’ কনফাৰেন্সিঙৰ জৰিয়তে আলোচনা কৰি যুটীয়াভাৱে আঁচনি গ্ৰহণ কৰিবলৈ কয়। যিবোৰ পি এম এ ৱাই জিৰ ঘৰ সম্পূৰ্ণ হোৱাৰ পথত আছে সেই ঘৰসমূহ সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিবলৈও তেওঁ পৰামৰ্শ দিয়ে।

**বাৰ্তালাপত ভাগ লৈ অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলে**য়ে অসমত কৰ’ণা প্ৰতিৰোধী অভিযানত বিভাগৰ জৰিয়তে লোৱা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে। তেওঁ কয় যে বৰ্তমান সময়ত অতিকে প্ৰয়োজনীয় মাস্ক প্ৰস্তুত কৰাৰ বাবে আত্মসহায়ক গোট সমূহে মিছন মোডত কাম কৰি আছে আৰু অতি কম সময়ৰ ভিতৰতে ইতিমধ্যে প্ৰায় ৩ লাখ মাস্ক প্ৰস্তুত কৰি উলিয়াইছে। ইয়াৰ ভিতৰত ৩৩ হাজাৰ মাস্ক বিনামূলীয়াকৈ বিতৰণ কৰাৰ লগতে ১, ৬৭, ৫৫০টা মাস্ক বিক্ৰী কৰি গোটসমূহে বৰ্তমানলৈ ৪৪লাখতকৈ অধিক ধন লাভ কৰিবলৈ সক্ষম হৈছে। এই মাস্কসমূহ চাহ বাগিছা আৰু বিভিন্ন বিভাগলৈ

প্ৰদান কৰা হৈছে বুলি তেওঁ লগতে অৱগত কৰে। এতিয়া প্ৰতিদিনে ৫০হাজাৰকৈ মাস্ক প্ৰস্তুত কৰাৰ বাবে পদক্ষেপ লোৱা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

তদুপৰি প্ৰায় ১৬হাজাৰ আত্মসহায়ক গোটৰ সদস্যাৰ জৰিয়তে তেওঁলোকে উৎপাদন কৰা ফল-মূল, শাক-পাচলি, হাঁহ-কুকুৰা, মাছ আদি সুলভ মূল্যত বিক্ৰী কৰাৰ ব্যৱস্থা কৰি বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিত জনসাধাৰণক সকাহ দিয়া হৈছে। আনহাতে জনসাধাৰণে তেওঁলোকৰ একাউণ্টৰ পৰা নগদ ধন সহজে উলিয়াই ল'বৰ বাবেও চি এছ পিৰ জৰিয়তে ঘৰতে নতুবা ঢুকি পোৱা দূৰত্বত টকা উলিয়াওৱাৰ ব্যৱস্থাও কৰি দিয়া হৈছে। তদুপৰি চৰকাৰৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই বহুতো আত্মসহায়ক গোটৰ সংগঠনে অভাৱী পৰিয়ালক খাদ্য যোগান ধৰাৰ লগতে অসম আৰোগ্য নিধি, মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰ সাহায্য পুঁজিলৈ প্ৰায় ৯ লাখ টকাৰ বৰঙনিও আগবঢ়াইছে।

এম জি এন ৰে গাৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে সংকট মুক্ত বুলি চিহ্নিত অঞ্চলসমূহত অহা ২১এপ্ৰিলৰ পৰা কাম আৰম্ভ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণেৰে জল সংৰক্ষণ আৰু জলসিঞ্চনৰ ওপৰত গুৰুত্ব দি পৰিকল্পনা যুগুতাই উলিওৱা হৈছে। কোভিড-১৯ৰ পৰিপ্ৰেক্ষিতত এই পৰিকল্পনা যুগুত কৰোতে ব্যক্তিগত সম্পদ সৃষ্টিৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব দিয়া হৈছে। যোৱা ২০১৯-২০ বিত্তীয় বৰ্ষত নিৰ্দ্ধাৰিত লক্ষ্যতকৈ অধিক পৰিমাণে, মুঠ ৬২৫.৩৫ লাখ কৰ্মদিন সৃষ্টি কৰি ১৯.৩৩ লাখ পৰিয়াল উপকৃত কৰাৰ লগতে ৩০,২৬৩টা পৰিয়ালে এশটাকৈ কৰ্মদিন লাভ কৰিবলৈ সক্ষম হয় বুলি উল্লেখ মন্ত্ৰীগৰাকীয়ে আগন্তুক সময়ছোৱাতো পূৰ্ণ সক্ৰিয়তাৰে কাম কৰিবলৈ ক্ষেত্ৰীয় বিষয়াসকলৰ লগত অহৰহ যোগাযোগ অব্যাহত ৰখা হৈছে বুলি কয়।

প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত বৰ্তমানলৈ ২,৫১,৯২৫টা আৱাস গৃহ সম্পূৰ্ণ হোৱাৰ বিপৰীতে বাকী থকা ঘৰসমূহ নিৰ্মাণৰ বিভিন্ন স্তৰত থকা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এই গৃহসমূহৰ নিৰ্মাণৰ কামো নিৰ্দিষ্ট নীতি-নিৰ্দেশনা মানি ২০ এপ্ৰিলৰ পিছত আৰম্ভ কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক জানিবলৈ দিয়ে।

ইয়াৰোপৰি লক ডাউন শিথিল কৰা সময়ছোৱাত চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনতো কাম আৰম্ভ কৰিবলৈ অনুমতি দিবৰ বাবে মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী টোমৰক অনুৰোধ জনায়।

আজিৰ ভিডিঅ' কনফাৰেন্সত বিভাগীয় মন্ত্ৰী দলেৰ লগত বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা, আয়ুক্ত হেমেন দাস আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক উৎপলা শইকীয়াকে ধৰি উচ্চ পৰ্যায়ৰ বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/১৮-০৪-২০২০*